

SIRAJ

চিৰাজ

ব্যৱহাৰ-নির্দেশিকা

অভিনেতাৰ ডিজিটেল ষ্টুডিঅ’: নাট্যপাঠৰ পৰা পৰিৱেশনলৈ

সংস্কৰণ ১.০ · নৱেম্বৰ ২০২৬

শ্রদ্ধাঞ্জলি

‘চিৰাজ’ (১৯৪৮)ৰ দুই স্রষ্টা কলাগুৰু বিষ্ণুপ্রসাদ ৰাভা আৰু নটসূর্য ফণী শর্মালৈ

অসমৰ AANK_A Creative Line-ৰ হৈ ড° মৃণাল জ্যোতি গোস্বামীৰ সৃষ্টি · aank.org/apps/siraj

সূচীপত্র

১ চিৰাজৰ পৰিচয় ৩

২ চিৰাজ খোলা ৩

৩ নমুনাৰে আৰম্ভ কৰক ৫

৪ নিজৰ চৰিত্ৰ আৰম্ভ কৰা ৬

৫ চৰিত্ৰৰ সামগ্ৰিক চিত্ৰ ৯

৬ নাট্যপাঠ পঢ়া ১০

৭ নাট্যপাঠ বিশ্লেষণ ১০

৮ সংলাপ মুখস্থ ১২

৯ চৰিত্ৰ নিৰ্মাণ ১৪

১০ অভিনয়ৰ পদ্ধতি ১৫

১১ কণ্ঠ, উচ্চাৰণ আৰু শৰীৰ ১৭

১২ আখৰাৰ দিনলিপি ১৮

১৩ মঞ্চায়ন আৰু ভ্ৰমণ ১৯

১৪ চলচ্চিত্ৰ-অভিনয় ২০

১৫ যত্ন আৰু সুৰক্ষা ২০

১৬ চৰিত্ৰ-পুথি, পৰ্টফ'লিঅ' আৰু অডিচন ২২

১৭ পৰিভাষা ২৩

১৮ সংৰক্ষণ, বেকআপ আৰু আদান-প্ৰদান ২৩

১৯ ফ'নত চিৰাজ ২৪

২০ প্ৰশ্ন আৰু উত্তৰ ২৫

১ চিৰাজৰ পৰিচয়

চিৰাজ হৈছে চৰিত্ৰ এটাৰ ওপৰত অভিনয়শিল্পীৰ নিজৰ কামৰ ষ্টুডিঅ'। নাট্যপাঠৰ প্ৰথম পাঠৰ পৰা শেষ মঞ্চায়নলৈকে সকলো কাম ইয়াতে কৰিব পাৰি: নাট্যপাঠ বিশ্লেষণ, চৰিত্ৰ নিৰ্মাণ, সংকেতেৰে সংলাপ মুখস্থ, আখৰাৰ দিনলিপি, প্ৰতিটো মঞ্চায়নৰ প্ৰস্তুতি, আৰু শেষত গোটেই প্ৰস্তুতি চৰিত্ৰ-পুথি হিচাপে ছপা।

নাট্য-শিক্ষাৰ্থী, তেওঁলোকক পথ দেখুওৱা শিক্ষক, আৰু থিয়েটাৰ, ভ্ৰাম্যমাণ থিয়েটাৰ, চলচ্চিত্ৰ তথা দূৰদৰ্শনত কাম কৰা পেছাদাৰী অভিনয়শিল্পীৰ বাবে চিৰাজ সাজি উলিওৱা হৈছে। **শিক্ষাৰ্থী** অৱস্থাত প্ৰতিটো পৃষ্ঠাত কি কৰিব আৰু কিয় কৰিব, তাৰ দিহা-পৰামৰ্শ থাকে। **পেছাদাৰী** অৱস্থাত সেই দিহা-পৰামৰ্শ লুকাই থাকে আৰু পৃষ্ঠাবোৰ পৰিষ্কাৰ হৈ থাকে। ওপৰৰ পট্টীৰ পৰা যিকোনো সময়তে অৱস্থা সলনি কৰিব পাৰি।

- অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতে চলে। এটা টিপতে গোটেই এপৰ ভাষা সলনি হয়; আপোনাৰ নিজৰ টোকা যিদৰে লিখিছে, সেইদৰেই থাকে।
- এবাৰ খোলা বা ইনষ্টল কৰাৰ পাছত ইণ্টাৰনেট নোহোৱাকৈও চলে।
- একো আপলোড কৰা নহয়। আপোনাৰ নাট্যপাঠ, টোকা আৰু ৰেকৰ্ডিং আপোনাৰ ডিভাইচতে থাকে। একাউণ্টৰো প্ৰয়োজন নাই।
- বিনামূলীয়া। আগন্তুক দিনত অলপ অধিক সুবিধাৰে এটা প্ৰ' সংস্কৰণ আগবঢ়োৱাৰ পৰিকল্পনা আছে। সেই সংস্কৰণটো মূল্য দি ক্ৰয় কৰিব লাগিব।

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু নটসূর্য ফণী শর্মাই নির্মাণ কৰা 'চিৰাজ' (১৯৪৮) চলচ্চিত্ৰৰ নামেৰে এই এপৰ নাম ৰখা হৈছে। চিৰাজ তেওঁলোকলৈ উৎসর্গিত।

কি কি লাগিব

- নাট্যপাঠ আনিবলৈ, সম্পূৰ্ণ বিশ্লেষণৰ বাবে আৰু ছপা কৰিবলৈ Chrome বা Edge থকা লেপটপ বা ডেস্কটপ কম্পিউটাৰ।
- সংলাপ মুখস্থ কৰিবলৈ, টোকা পঢ়িবলৈ আৰু ভ্ৰমণৰ সময়ত উপস্থিতিৰ সময় চাবলৈ ফ'ন বা টেবলেট সুবিধাজনক।
- সহ-অভিনেতাৰ সংকেত ৰেকৰ্ড কৰিব বিচাৰিলে মাইক্ৰ'ফোন। বেছিভাগ লেপটপ আৰু ফ'নত ই আগৰে পৰা থাকে।


> **i** চিৰাজ প্ৰথমবাৰ ব্যৱহাৰ কৰিছে নেকি? প্ৰথমে নমুনাটো খোলক (অধ্যায় ৩)। তাত এটা সম্পূৰ্ণ প্ৰস্তুতি আছে; নিজৰ চৰিত্ৰ আৰম্ভ কৰাৰ আগতে কোনটো পৃষ্ঠা কিহৰ বাবে, সেয়া চাই ল'ব পাৰিব।

---

২ চিৰাজ খোলা

চিৰাজ দুটা উপায়েৰে ব্যৱহাৰ কৰিব পাৰি। দুয়োটাই ইণ্টাৰনেট নোহোৱাকৈও চলে আৰু আপোনাৰ কাম আপোনাৰ ডিভাইচতে ৰাখে। কম্পিউটাৰ আৰু ফ'নৰ বাবে প্ৰতিটো পদক্ষেপ ইনষ্টলেচন নির্দেশিকাত দিয়া আছে।

ৱেব এপ	**aank.org/apps/siraj/** খুলি **চিৰাজ খোলক** বাছক। আৰম্ভণি পৃষ্ঠাৰ পৰা ইয়াক ইনষ্টলো কৰিব পাৰি; তেতিয়া আন এপৰ দৰেই ই নিজা ৱিণ্ড'ত খোলে।
অফলাইন ফাইল	একেটা পৃষ্ঠাতে **অফলাইন ফাইলটো ডাউনল'ড কৰক** বাছক। ই এটাই মাত্ৰ ফাইল: SIRAJ-1.0.html। ফাইলটো কম্পিউটাৰত ৰাখক আৰু তাত দুবাৰ ক্লিক কৰি ব্ৰাউজাৰত চিৰাজ খোলক।




চিত্ৰ ১. স্বাগতম পৃষ্ঠা: শ্ৰদ্ধাঞ্জলি আৰু নমুনা খোলাৰ বুটাম।

প্ৰথমবাৰ খুলিলে স্বাগতম পৃষ্ঠা ওলায়। আৰম্ভ কৰিবলৈ **প্ৰৱেশ কৰক** বাছক, নাইবা নমুনা খোলক। প্ৰতিবাৰ চাব নিবিচাৰিলে **পুনৰ নেদেখুৱাব**-ত টিক দিয়ক। পিছত **মেনু › স্বাগতম পৃষ্ঠা**ৰ পৰা ইয়াক আকৌ খুলিব পাৰি।

পর্দাৰ বিভিন্ন অংশ

ওপৰৰ পট্টী	আপুনি অভিনয় কৰা চৰিত্ৰ আৰু নাটকৰ নাম; ভাষা সলনিৰ বুটাম (**English · অসমীয়া**); **শিক্ষার্থী · পেছাদাৰী**; শেষবাৰ কেতিয়া কাম ফাইলত সংৰক্ষণ কৰিছিল, সেয়া দেখুওৱা **শেষ ফাইল-প্ৰতিলিপি** সূচক; আৰু **মেনু**।
বাওঁফালৰ পট্টী	চিৰাজৰ পৃষ্ঠাবোৰ ছটা ভাগত সজোৱা আছে: **চৰিত্ৰ**, **প্ৰস্তুতি**, **আখৰা**, **মঞ্চায়ন**, **অভিনয়শিল্পী** আৰু **সহায়ক**। **সংলাপ মুখস্থ**ৰ কাষৰ সৰু সংখ্যাটোৱে আজি কিমান সংলাপ অনুশীলন কৰিব লাগে, সেয়া দেখুৱায়।


মেনু নতুন চৰিত্ৰ, মোৰ চৰিত্ৰসমূহ, নাট্যপাঠ আমদানি, প্ৰকল্প-ফাইল খোলা আৰু সংৰক্ষণ, AANK-ৰ আন এপলৈ পঠিওৱা, আন এপৰ পৰা কাম খোলা, ৰং (পোহৰ, আন্ধাৰ বা ডিভাইচ অনুসৰি), স্বাগতম পৃষ্ঠা, চিৰাজৰ পৰিচয়, মতামত পঠিওৱা আৰু ইনষ্টল।



চিত্ৰ ২. মেনুত ফাইল, AANK-ৰ আন এপ আৰু সহায়ৰ নিৰ্দেশবোৰ থাকে।

৩ নমুনাৰে আৰম্ভ কৰক

নমুনা নাটকখন হৈছে ‘এৰেণ্ডিৰাচ মেটামৰ্ফচিচ’। মৃণাল জ্যোতি গোস্বামী আৰু সহ-লেখিকা নম্ৰতা শৰ্মাই এজন কথকৰ বাবে এই নাটকখন লিখিছে। AANK_A Creative Line-এ ২০২২ চনৰ ২৬ জুনত গুৱাহাটীৰ উজান বজাৰৰ উদাৰাত ইয়াক প্ৰথম মঞ্চস্থ কৰিছিল, আৰু ই-গ্ৰন্থ হিচাপে প্ৰকাশ কৰিছে।



চিত্র ৩. ইংৰাজী মূল নাইবা অসমীয়া অনুবাদ বাছক।

১ আৰম্ভণি পৃষ্ঠাত **নমুনা খোলক** বাছক।

২ মূল নাট্যপাঠৰ বাবে ইংৰাজী, নাইবা অনুবাদৰ বাবে অসমীয়া বাছক।

৩ চিৰাজে কথকৰ চৰিত্রটো খোলে। এই কথকেই এৰেণ্ডিৰাৰ ভূমিকাও লয় আৰু পুতলাটো চলায়। বিশ্লেষণ, চৰিত্র নির্মাণ, দিনলিপি, মঞ্চায়ন আৰু সংকেত আগতেই লিখা আছে।


নমুনাৰ তাৰিখবোৰ আপোনাৰ লগে লগে আগবাঢ়ে: যিদিনাই খোলে, তাৰ ২৪ দিন পাছত প্রথম মঞ্চায়ন, আৰু কেইটামান সংলাপ আজিয়েই অনুশীলন কৰিব লাগে। প্রতিটো পৃষ্ঠা চাওক, যি ইচ্ছা সলনি কৰক। নমুনাটো **মোৰ চৰিত্রসমূহত** সুকীয়া চৰিত্র হিচাপে থাকে, সেয়ে আপোনাৰ নিজৰ কামৰ লগত কেতিয়াও সানমিহলি নহয়।

---

৪ নিজৰ চৰিত্র আৰম্ভ কৰা

নাট্যপাঠ আনক

আৰম্ভণি পৃষ্ঠা বা মেনুৰ পৰা **নাট্যপাঠ আমদানি কৰক** বাছক। চাৰিটা উপায় আছে:



চিত্র ৪. নাট্যপাঠ অনাৰ চাৰিটা উপায়।

Word ফাইল (.docx)	অসমীয়া নাট্যপাঠৰ বাবে আটাইতকৈ ভাল উপায়। Word-ৰ ইউনিক'ড পাঠ যিদৰে লিখা আছে, অবিকল সেইদৰেই আহে।
পাঠ-ফাইল (.txt)	সাধাৰণ পাঠ, নাইবা Fountain ৰূপত লিখা চিত্রনাট্য।
পাঠ পেষ্ট কৰক	যিকোনো ঠাইৰ পৰা নাট্যপাঠ কপি কৰি পেষ্ট কৰক।
AANK-ৰ আন এপৰ পৰা	সুধাকণ্ঠ, শ্রীনিবাৰণ বা আৱোহণৰ পৰা .aank ফাইল হিচাপে পঠিওৱা নাট্যপাঠ।


> ! PDF ফাইল পঢ়া নহয়। পুৰণি অসমীয়া ফণ্টেৰে বনোৱা PDF-ৰ পৰা শব্দ উলিয়াব খুজিলে পাঠ ভাঙি-চিগি যায়। নাট্যপাঠটো Word-ত খুলি .docx হিচাপে সংৰক্ষণ কৰক, নাইবা কপি কৰি পেষ্ট কৰক।

চিৰাজে চৰিত্রৰ নাম, সংলাপ আৰু মঞ্চ-নির্দেশনা চিনি পায়, আৰু নাটকখন দৃশ্যত ভাগ কৰে। ফলাফল এবাৰ চাই লওক; কোনো শাৰী ভুল হ'লে নাট্যপাঠত সেই শাৰীত ক্লিক কৰি শুধৰাওক।

নিজে অভিনয় কৰা কণ্ঠবোৰ চিহ্নিত কৰক

নাট্যপাঠ › চৰিত্র খুলি আপুনি অভিনয় কৰা প্রতিটো কণ্ঠত টিক দিয়ক। নমুনাৰ কথকৰ দৰে এজনে কেইবাটাও কণ্ঠ ল'ব পাৰে। তাৰ পাছত আপোনাৰ সংলাপবোৰ নাট্যপাঠত পোহৰাই দেখুওৱা হয়, সামগ্রিক চিত্রত গণনা কৰা হয়, আৰু অনুশীলনৰ বাবে আগবঢ়োৱা হয়।

প্ৰকল্প আৰু চৰিত্ৰৰ তথ্য দিয়ক




চিত্ৰ ৫. প্ৰকল্প আৰু চৰিত্ৰ: নাটক, প্ৰযোজনা আৰু সময়সূচী।

প্ৰকল্প আৰু চৰিত্ৰ পৃষ্ঠাত নাটকৰ নাম (আৰু আন ভাষাত নাম), নাট্যকাৰ, অনুবাদক, দল, পৰিচালক আৰু মঞ্চৰ নাম লিখক। সময়সূচীত আখৰা আৰম্ভৰ তাৰিখ, প্ৰথম মঞ্চায়নৰ তাৰিখ আৰু মঞ্চায়নৰ সংখ্যা দিয়ক। প্ৰথম মঞ্চায়নৰ তাৰিখৰ পৰাই সামগ্ৰিক চিত্ৰত বাকী দিনৰ হিচাপ হয়।

> **নতুন চৰিত্ৰ আৰম্ভ কৰক** বাছি প্ৰথমে নাটকৰ তথ্য দিব পাৰে, নাট্যপাঠ পিছত আমদানি কৰিলেও হ'ব।

৫ চৰিত্ৰৰ সামগ্ৰিক চিত্ৰ




চিত্ৰ ৬. নমুনাৰ চৰিত্ৰৰ সামগ্ৰিক চিত্ৰ।

এটা চৰিত্ৰৰ বাবে এইখনেই আপোনাৰ মূল পৃষ্ঠা। ওপৰত আপুনি অভিনয় কৰা চৰিত্ৰ, নাটক আৰু প্ৰযোজনাৰ নাম, আৰু প্ৰথম মঞ্চায়নলৈ বাকী দিন থাকে। তাৰ তলত আপোনাৰ সংলাপৰ সংখ্যা, মুখস্থ কৰিবলগীয়া শব্দ, আপুনি থকা দৃশ্য, কিমান সংলাপ আয়ত্ত হৈছে, আৰু আজি কিমান সংলাপ অনুশীলন কৰিব লাগে, সেয়া দেখা যায়।

প্ৰস্তুতিৰ তালিকাই কামৰ স্তৰবোৰ অনুসৰণ কৰে: নাট্যপাঠ আৰু কণ্ঠ, প্ৰদত্ত পৰিস্থিতি, পৰম উদ্দেশ্য, ঘটনা, উদ্দেশ্য আৰু বিট, অন্তৰ্নিহিত অৰ্থ, সম্পৰ্ক, সাক্ষ্য, জীৱনী, পদ্ধতিৰ কাৰ্যপত্ৰ, দৈহিক তালিকা, আয়ত্ত সংলাপ আৰু দিনলিপি। **আপোনাৰ পৰৱৰ্তী পদক্ষেপ**-এ এতিয়া কি কৰিব, তাৰ পৰামৰ্শ দিয়ে, আৰু **দৃশ্য অনুসৰি অগ্ৰগতি**য়ে প্ৰতিটো দৃশ্য কিমান মুখস্থ হৈছে, সেয়া দেখুৱায়।

৬ নাট্যপাঠ পঢ়া




চিত্র ৭. আপোনাৰ সংলাপবোৰ পোহৰৰ বৃত্তৰ দৰে জিলিকি থাকে; প্রতিটোৰ ঠিক আগৰ শাৰীটোৱেই আপোনাৰ সংকেত।

- **সকলো দৃশ্য** বা **মোৰ দৃশ্য**, আৰু প্রতিটো দৃশ্যলৈ পোনে পোনে যোৱাৰ তালিকা।
- **বিট** আৰু **অন্তর্নিহিত অর্থ** বাছিলে সংলাপৰ তলত আপোনাৰ বিটৰ বিভাজন আৰু অন্তর্নিহিত অর্থ দেখা যায়।
- **A−** আৰু **A+**-এ আখৰৰ আকাৰ সলনি কৰে।
- যিকোনো শাৰীত ক্লিক কৰি সেইটো সম্পাদনা কৰিব পাৰি, সাক্ষ্য হিচাপে চিহ্নিত কৰিব পাৰি, তাৰ পৰা নতুন বিট আৰম্ভ কৰিব পাৰি, বা তাৰ অন্তর্নিহিত অর্থ লিখিব পাৰি।
- **চৰিত্র**-ত আপুনি অভিনয় কৰা কণ্ঠ বাছিব পাৰি; **পুনৰ আমদানি কৰক**-এ শুধৰোৱা নাট্যপাঠ আনে।

৭ নাট্যপাঠ বিশ্লেষণ


আপোনাৰ চৰিত্রই নাটকখনত যিদৰে জীয়াই থাকে, সেইদৰে নাটকখন পঢ়ক। প্রথমে নাট্যপাঠৰ তথ্যৰে আৰম্ভ কৰক, তাৰ পাছত নিজৰ সিদ্ধান্ত লওক, আৰু দুয়োটা সুকীয়াকৈ ৰাখক। বিশ্লেষণৰ আঠটা ভাগ আছে।



চিত্র ৮. প্রদত্ত পৰিস্থিতি: প্রতিটো উত্তৰ পাঠত আছে, অনুমান বা মোৰ সিদ্ধান্ত হিচাপে চিহ্নিত।

প্রদত্ত পৰিস্থিতি	মই কোন, ক’ত আছোঁ, সময় কেতিয়া, এইমাত্র কি ঘটিল, মই কি বিচাৰোঁ, কিয় বিচাৰোঁ, কেনেকৈ পাম, বাটত কি বাধা, নাটক আৰম্ভ হোৱাৰ আগতে কি আছিল, আৰু নাটকৰ জগত। প্রতিটো উত্তৰ **পাঠত আছে**, **অনুমান** বা **মোৰ সিদ্ধান্ত** হিচাপে চিহ্নিত কৰক। আপোনাৰ সিদ্ধান্তই নাট্যপাঠৰ কথা কেতিয়াও খণ্ডন কৰিব নালাগে।
পৰম উদ্দেশ্য	চৰিত্রৰ মেৰুদণ্ড: পৰম উদ্দেশ্য, কার্য-ধাৰা, প্রতিকূল কার্য, মই কেনেকৈ সলনি হওঁ, চৰিত্রৰ কেন্দ্রীয় চিত্রকল্প, আৰু মোৰ বাবে নাটকখন কিহৰ বিষয়ে।
ঘটনা	যিবোৰ মুহূর্তৰ পাছত একোৱেই আগৰ দৰে নাথাকে, সেইবোৰ ঘটনা ঘটা ক্রম অনুসৰি; লগতে দৃশ্য, আৰু প্রতিটো ঘটনাই আপোনাৰ ভিতৰত কি সলনি কৰে।
দৃশ্য আৰু বিট	আপোনাৰ প্রতিটো দৃশ্যৰ বাবে: মই ক’ৰ পৰা আহিছোঁ, দৃশ্যৰ উদ্দেশ্য, বাধা, পণ, আৰু ইয়াৰ পাছত ক’লৈ যাওঁ। তাৰ পাছত দৃশ্যটো বিটত ভাগ কৰক; প্রতিটো বিটৰ এটা উদ্দেশ্য (“মই বিচাৰোঁ...”) আৰু অভিনয় কৰিব পৰা এটা ক্রিয়া থাকিব। ক্রিয়া বিচাৰি পাবলৈ **ক্রিয়াৰ ভঁৰাল** সহায় কৰে।
অন্তর্নিহিত অর্থ	প্রতিটো সংলাপৰ তলত: মই প্রকৃততে কি বুজাব বিচাৰোঁ, আৰু আনজনৰ ওপৰত মই কি ক্রিয়া কৰোঁ।
সম্পর্ক	প্রতিজন ব্যক্তিৰ বাবে: আমি পৰস্পৰৰ কি, তেওঁৰ পৰা মই কি বিচাৰোঁ, তেওঁক মই কি ভাবোঁ, তেওঁ মোক কি ভাবে, আমাৰ অতীত, আৰু মোৰ তুলনাত তেওঁৰ মর্যাদা (বহুত তলৰ পৰা বহুত ওপৰলৈ)। এখন মানচিত্রত সম্পর্কবোৰ দেখুওৱা হয়।


সাক্ষ্য	মই নিজৰ বিষয়ে কি কওঁ, আনে মোৰ বিষয়ে কি কয়, আৰু নাট্যকাৰে কি কয়; লগতে কোনে কৈছে আৰু ক'ত। নাট্যপাঠত কোনো শাৰীত ক্লিক কৰি সাক্ষ্য যোগ কৰক।
তথ্য আৰু প্ৰশ্ন	নাট্যপাঠৰ পৰা প্ৰমাণ কৰিব পৰা তথ্য, আৰু নাট্যপাঠে উত্তৰ নিদিয়া প্ৰশ্ন। আখৰাত প্ৰশ্নবোৰৰ উত্তৰ বিচাৰক আৰু উত্তৰ পোৱাৰ পাছত টিক দিয়ক।



চিত্ৰ ৯. দৃশ্য আৰু বিট: দৃশ্যৰ উদ্দেশ্য, বাধা আৰু পণসহ।


৮ সংলাপ মুখস্থ

চিৰাজে পৃষ্ঠা চাই নহয়, সংকেত শুনি সংলাপ মুখস্থ কৰিবলৈ শিকায়। ইয়াত ব্যৱধানযুক্ত অনুশীলন ব্যৱহাৰ কৰা হয়: পাহৰাৰ ঠিক আগমুহূর্তত প্ৰতিটো সংলাপ আকৌ সন্মুখলৈ আহে, সেয়ে প্ৰতিদিনে অলপ সময়ৰ অনুশীলনেই যথেষ্ট।



চিত্র ১০. সংলাপ মুখস্থ: আজিৰ অনুশীলন আৰু কামৰ পাঁচটা উপায়।

সংকেত অনুশীলন	সংকেতটো চাওক, মাত মেলি নিজৰ সংলাপ কওক, তাৰ পাছত **মোৰ সংলাপ দেখুৱাওক** (বা Space) টিপি নিজকে **মনত আছে**, **প্রায়** বা **পাহৰিলোঁ** বুলি নম্বৰ দিয়ক। **প্রথম আখৰ**-এ সহায়ৰ ইংগিত দিয়ে।
লিখি চাওক	স্মৃতিৰ পৰা সংলাপটো লিখক। বাদ পৰা প্রতিটো শব্দ চিৰাজে দেখুৱাই দিয়ে।
পাঠ-অনুশীলন	গোটেই দৃশ্যটো, আপোনাৰ সংলাপ লুকুৱাই বা কেৱল প্রথম আখৰ দেখুৱাই। চাবলৈ সংলাপত টিপক।
দৃশ্য চলাওক	সহ-অভিনেতাৰ ৰেকর্ড কৰা সংকেত বাজে, আৰু মাজৰ ব্যৱধানত আপুনি মাত মেলি উত্তৰ দিয়ে। গতি বাছক, নাইবা **হাত নলগোৱাকৈ** বাছক; তেতিয়া আপোনাৰ সংলাপৰ সময় পাৰ হ’লে ই নিজে আগবাঢ়ে।
সংকেত ৰেকর্ড কৰক	আন চৰিত্রৰ সংলাপ নিজে ৰেকর্ড কৰক, নাইবা বন্ধুক ৰেকর্ড কৰিবলৈ কওক। ৰেকর্ড নকৰা সংকেত ডিভাইচৰ কণ্ঠই পঢ়ি শুনাব পাৰে।



চিত্ৰ ১১. সংকেত অনুশীলন: সংকেতটো দেখা যায়, আপুনি নিবিচৰালৈকে আপোনাৰ সংলাপ লুকাই থাকে।

আজিৰ অনুশীলনত অনুশীলনৰ সময় হোৱা সংলাপ আৰু কেইটামান নতুন সংলাপ একেলগে থাকে। **এই দৃশ্যবোৰ অনুশীলন কৰক**-ত নিজে দৃশ্য বাছি ল'ব পাৰি। **শেহতীয়া অনুশীলন**ত আপোনাৰ অনুশীলনৰ তালিকা থাকে।

i শব্দৰ আগতে চিন্তাটো শিকক: কিয় কথা কৈছে, সেয়া জানক (অন্তর্নিহিত অর্থ চাওক)। সংলাপ মাত মেলি কওক, কেৱল মনে মনে নহয়। সংলাপৰ লগতে সংকেতো শিকক। পিছদিনা আৰু তাৰ কেইদিনমানৰ পাছত নিজকে পৰীক্ষা কৰক।


! ৰেকর্ড কৰিবলৈ ব্ৰাউজাৰে সুধিলে মাইক্ৰ'ফোনৰ অনুমতি দিয়ক। চিৰাজ aank.org-ৰ পৰা খুলিলে, নাইবা Chrome বা Edge-ত অফলাইন ফাইল হিচাপে খুলিলে ৰেকর্ডিং চলে।

৯ চৰিত্ৰ নিৰ্মাণ

চৰিত্ৰ নিৰ্মাণ-এ নাট্যপাঠৰ আগৰ আৰু বাহিৰৰ জীৱন এটা চৰিত্ৰক দিয়ে। ইয়াৰ চাৰিটা ভাগ আছে।

জীৱনী	চৰিত্ৰ হৈ প্ৰথম পুৰুষত লিখা: পৰিয়াল আৰু শৈশৱ, শিক্ষা আৰু কর্ম, ঘৰ, ধন আৰু সমাজত স্থান, বিশ্বাস, সযতনে ৰখা এটা স্মৃতি আৰু বিষাদৰ এটা স্মৃতি, গোপন কথা, ভয়, সপোন, অভ্যাস, কথা কোৱাৰ ধৰণ, কি পিন্ধে আৰু লগত কি লৈ ফুৰে, আৰু জীৱনৰ এটা দিন। প্ৰদত্ত পৰিস্থিতিৰ দৰেই প্ৰতিটো উত্তৰ চিহ্নিত কৰক।


অন্তর্জীৱন	**যাদুকৰী যদি** (যদি মই ঠিক এই পৰিস্থিতিত থাকোঁ, মই কি কৰিম?), বাছি লোৱা সংলাপৰ **স্বগতোক্তি**, আৰু কথা কওঁতে মনত ভাহি উঠা অন্তৰৰ চিত্ৰ।
দৈহিক জীৱন	কেন্দ্ৰ (মূৰ, বুকু, পেট, কঁকাল বা আন ঠাইত) আৰু সি আপোনাক কেনেকৈ চলায়; খোজ, ভংগিমা, হাত আৰু ভংগী, সাধাৰণ মর্যাদা; এটা জন্তু আৰু তাৰ কিমান বাহিৰত দেখা যায়; আৰু প্ৰতিটো দৃশ্যৰ ভিতৰ আৰু বাহিৰৰ গতি-ছন্দ।
চৰিত্ৰ-পত্ৰ	এখন পৃষ্ঠাত গোটেই চৰিত্ৰটো। আখৰালৈ লৈ যাবলৈ **ছপা বা PDF হিচাপে সংৰক্ষণ** বাছক।



চিত্ৰ ১২. চৰিত্ৰ-পত্ৰত মেৰুদণ্ড, পৰিস্থিতি আৰু জীৱনী একেলগে থাকে।

১০ অভিনয়ৰ পদ্ধতি

চিৰাজত অভিনয়ৰ সোতৰটা পদ্ধতি আৰু পৰম্পৰা আছে। এই চৰিত্ৰৰ বাবে যিবোৰ লাগে, সেইবোৰ বাছক। প্ৰতিটো পদ্ধতিয়ে নিজা এটা ভাগ যোগ কৰে: পৰিচয়, মূল ধাৰণা, আপোনাৰ দৃশ্যৰ লগত সংযুক্ত কার্যপত্ৰ, সময় বান্ধি দিয়া অনুশীলন আৰু অধিক অধ্যয়নৰ তালিকা।



চিত্র ১৩. নাট্যশাস্ত্রৰ কার্যপত্র: প্রতিটো দৃশ্যৰ অভিনয়, ভাৱ আৰু ৰস।


- ষ্টানিস্লাভস্কি: পদ্ধতি · মাইকেল চেখভ: কল্পনা আৰু ভংগী · নাট্যশাস্ত্র: অভিনয়, ভাৱ আৰু ৰস
- মেইজনাৰ: কৰাৰ বাস্তৱতা · লাবান: প্রয়াস আৰু গতি · ভাওনা আৰু সত্রীয়া অভিনয়
- ষ্টেলা এডলাৰ · উটা হেগেন · লী ষ্ট্রেছবার্গ · ভিউপইণ্টছ · ব্রেখ্ট · গ্র’টোৱস্কি
- মেয়াৰহ’ল্ড: বায়’মেকানিক্স · চুজুকি পদ্ধতি · লেক’ক · ব্যৱহাৰিক নান্দনিকতা · অভিনয় প্রশিক্ষণত থাং-টা

অনুশীলন এটা খুলিলে সময়-গণক আৰু তাৰ পদক্ষেপবোৰ এটা এটাকৈ ওলায়। কার্যপত্রত যি পায়, দৃশ্য অনুসৰি লিখি যাওক; সামগ্রিক চিত্রই সেয়া গণনা কৰে।

> **!** কিছুমান পদ্ধতিৰ পৃষ্ঠাত সাৱধানবাণী আছে। চুজুকি, বায়’মেকানিক্স আৰু থাং-টাৰ দৰে দৈহিক কাম নিজৰ সামর্থ্যৰ ভিতৰতহে কৰক; থাং-টা কেৱল প্রশিক্ষিত শিক্ষকৰ তত্ত্বাৱধানত আৰু অস্ত্র নোহোৱাকৈ কৰক। ব্যক্তিগত স্মৃতিৰ ওপৰত কৰা কাম (ষ্ট্রেছবার্গ) সাৱধানে কৰক; মনত আঘাত লাগিলে তেতিয়াই ৰখক।

১১ কণ্ঠ, উচ্চাৰণ আৰু শৰীৰ

কণ্ঠ আৰু উচ্চাৰণ




চিত্র ১৪. সংলাপ চিহ্নিত কৰা: কার্চৰ থকা ঠাইত চিহ্ন দিবলৈ চিহ্নটোত টিপক।

চিহ্নিতকৰণ	উশাহ ˅, বিৰতি /, দীঘল বিৰতি //, স্বৰ ওপৰলৈ ↗, স্বৰ তললৈ ↘ আৰু টানি ৰখা — চিহ্ন দিয়ক। মূল শব্দটো দুটা তৰা-চিহ্নৰ মাজত লিখক, *এইদৰে*; তেতিয়া তাৰ তলত ৰেখা টনা হয়।
শব্দ	পৰীক্ষা কৰিবলগীয়া শব্দ: উচ্চাৰণ, অর্থ, উপভাষা, ব্রজাৱলী বা সংস্কৃত শব্দ, নাম। পৰিচালক বা গুৰুক সুধি উত্তৰ লিখক, আৰু পৰীক্ষা হোৱাৰ পাছত টিক দিয়ক।
প্রস্তুতি-অনুশীলন	উশাহৰ নিয়ন্ত্রণ, অনুৰণন আৰু উচ্চাৰণৰ বাবে সময়-গণকসহ চমু অনুশীলন।
গীত	চৰিত্রটোৰ গীত, শ্লোক আৰু মন্ত্র; লগতে দৃশ্য আৰু ৰাগ, স্কেল বা সুৰ।

শৰীৰ আৰু গতি

দৈহিক তালিকা	প্রতিটো দৃশ্যৰ বাবে: শৰীৰে নিজকে কেনেকৈ ধৰি ৰাখে, মূল ভংগী, গতি আৰু লাবানৰ প্রয়াস।
মোৰ ব্লকিং	শ্রীনিবাৰণৰ পৰা ব্লকিং-ফাইল আনক আৰু দৃশ্য অনুসৰি কেৱল নিজৰ গতিবিধি চাওক।

১২ আখৰাৰ দিনলিপি




চিত্ৰ ১৫. দিনলিপিৰ এটা লিখনি: পৰিচালকৰ টোকা ব্যৱহাৰ কৰাৰ পাছত টিক দিয়া হৈছে।

প্ৰতিটো আখৰাৰ পাছত **নতুন লিখনি** বাছক। কামৰ ধৰণ বাছক (আখৰা, সম্পূৰ্ণ আখৰা, কাৰিকৰী আখৰা, মঞ্চায়ন, শ্ৰেণী বা কৰ্মশালা, নিজৰ অনুশীলন), তাৰ পাছত লিখক: কেনে হ'ল, কি কাম কৰা হ'ল, পৰিচালকৰ টোকা, মই নতুনকৈ কি বিচাৰি পালোঁ, আৰু এতিয়াও কি বিচাৰিব লাগে।

পৰিচালকৰ টোকা অবিকল টুকি লওক। **কেইবাটাও টোকা পেষ্ট কৰক, প্ৰতি শাৰীত এটা**-ই গোটেই তালিকা একেবাৰে যোগ কৰে। কোনো টোকা কামত লগোৱাৰ পাছত টিক দিয়ক; **বাকী থকা টোকা**-ত কেৱল কৰিবলগীয়া টোকাবোৰ দেখা যায়।

> আখৰাৰ এঘণ্টাৰ ভিতৰতে লিখক, কথাবোৰ মনত সতেজ থাকোঁতেই।

১৩ মঞ্চায়ন আৰু ভ্ৰমণ



চিত্ৰ ১৬. পৰৱৰ্তী মঞ্চায়ন: ঠাই, মঞ্চ আৰু উপস্থিতিৰ সময়সহ।


মঞ্চায়ন	প্ৰতিটো মঞ্চায়নৰ তাৰিখ, ঠাই, মঞ্চ বা প্ৰেক্ষাগৃহ, উপস্থিতিৰ সময়, আৰু যাত্ৰা আৰু থকা-মেলাৰ তথ্য যোগ কৰক। পৰৱৰ্তী মঞ্চায়নটো বাকী দিনৰ সৈতে ওপৰত থাকে; সেইদিনা ই **আজি নিশা** হৈ পৰে। মঞ্চায়নৰ পাছত দৰ্শকৰ সংখ্যা, কি ভাল হ'ল আৰু পিছৰবাৰ কি শুধৰাব লাগে লিখক।
মঞ্চায়নৰ আগতে	মঞ্চলৈ যোৱাৰ আগতে টিক দিবলগীয়া আঠটা বিষয়ৰ তালিকা। পিছদিনা টিকবোৰ আপোনা-আপুনি আঁতৰি যায়। নিজৰ বিষয় যোগ কৰক, আৰু **আজি নিশা মনত ৰাখিবলগীয়া টোকা** লিখি ৰাখক।
মোৰ কাৰিকৰী সংকেত	আপুনি ল'ব বা দিব লগা পোহৰ, ধ্বনি, মঞ্চ-সজ্জা, সামগ্ৰী আৰু সাজ-পোছাকৰ সংকেত: সংকেতটো আৰু মই কি কৰোঁ।

ভ্ৰাম্যমাণ থিয়েটাৰৰ এটা বতৰত কেইবাখনো নাটক থাকিলে প্ৰতিখন নাটক সুকীয়া চৰিত্ৰ হিচাপে ৰাখক, আৰু **মোৰ চৰিত্ৰসমূহৰ** পৰা এখনৰ পৰা আনখনলৈ যাওক।

১৪ চলচ্চিত্র-অভিনয়

চলচ্চিত্র, দূৰদর্শন আৰু ৱেবৰ কামৰ বাবে। আৱোহণৰ পৰা চিত্রনাট্য **আন এপৰ পৰা কাম খোলক**-ৰ জৰিয়তে আনিব পাৰি।

দৃশ্যৰ টোকা	প্রতিটো দৃশ্যৰ বাবে: শ্বটৰ আকাৰ, দৃষ্টিৰেখা, মোৰ চিন, ধাৰাবাহিকতা, আৰু প্রতিটো টেকত মিলাই ৰাখিবলগীয়া অনুভূতিৰ স্তৰ।
টেকৰ খতিয়ান	প্রতিটো টেকত কি কৰিলে টুকি ৰাখক: কোনখন হাত, কোন শব্দ, অনুভূতিৰ কোন স্তৰ।
চলচ্চিত্রৰ পৰিভাষা	শ্বট, টেক, দূৰ দৃশ্য, নিকট দৃশ্য, দৃষ্টিৰেখা, ধাৰাবাহিকতা, চিন, কভাৰেজ আদি শব্দ, অসমীয়া পৰিভাষা আৰু অর্থসহ।




চিত্র ১৭. ইংৰাজী আৰু অসমীয়াত চলচ্চিত্রৰ পৰিভাষা।

১৫ যত্ন আৰু সুৰক্ষা

চৰিত্রটোত অভিনয় কৰা মানুহজনৰ যত্ন লোৱাৰ বাবেই এই পৃষ্ঠা।

চৰিত্রৰ পৰা ওলাই অহা	কঠিন আখৰা বা মঞ্চায়নৰ পাছত চৰিত্রৰ পৰা ওলাই আহিবলৈ সময়-গণকসহ পাঁচ মিনিটৰ অনুশীলন, আৰু আজি নিশা কি এৰি থৈ যায়, সেয়া লিখাৰ ঠাই।


কণ্ঠৰ যত্ন	কণ্ঠৰ বাবে ভাল অভ্যাস, আৰু কণ্ঠৰ খতিয়ান: কণ্ঠ কেনে লাগিছে আৰু কিমান ঘণ্টা বেছিকৈ ব্যৱহাৰ কৰা হ'ল। মাত বহা দুসপ্তাহতকৈ বেছি দিন থাকিলে, বা হঠাতে মাত নোলোৱা হ'লে নাক-কাণ-ডিঙিৰ চিকিৎসকক দেখুৱাওক।
অন্তৰংগ আৰু মাৰপিটৰ দৃশ্য	প্রতিটো অন্তৰংগ দৃশ্য, মাৰপিট বা বিপদজনক মুহূর্ত নৃত্যৰ দৰে নির্দিষ্ট কৰা হয়: ঠিক কি ঘটে, মোৰ সীমা, কোনে পৰিচালনা কৰে, আৰু ৰখোৱাৰ শব্দ; লগতে **আজিৰ মঞ্চায়নৰ আগতে পৰীক্ষা কৰা হ'ল**-ত টিক দিয়াৰ ব্যৱস্থা। এইবোৰ কেতিয়াও তাৎক্ষণিকভাৱে নকৰিব।
মঞ্চ-ভয়	মঞ্চত প্ৰৱেশৰ আগতে তিনি মিনিটৰ অনুশীলন।
গোপনীয়তা	৪ৰ পৰা ৮টা অংকৰ PIN-এ এই ডিভাইচত আখৰাৰ দিনলিপি আৰু এই পৃষ্ঠা বন্ধ কৰি ৰাখে।



চিত্র ১৮. সীমা আৰু ৰখোৱাৰ শব্দসহ সম্মত এটা মাৰপিটৰ মুহূর্ত।

> **!** PIN-এ প্রকল্প-ফাইলটো গুপ্তসংকেতত সলনি নকৰে, সেয়ে সেই ফাইলটোও গোপনে ৰাখক। PIN পাহৰিলে সেই চৰিত্রৰ আখৰাৰ দিনলিপি আৰু যত্নৰ টোকা মচি পেলালেহে তলা খুলিব পাৰি। তলা লগোৱা দিনলিপি প্রতিবেদন আৰু চৰিত্র-পুথিত অন্তর্ভুক্ত নহয়।

১৬ চৰিত্ৰ-পুথি, পৰ্টফ'লিঅ' আৰু অডিচন




চিত্ৰ ১৯. চৰিত্ৰ-পুথি: অংশবোৰ বাছক আৰু ছপা কৰক বা PDF হিচাপে সংৰক্ষণ কৰক।

চৰিত্ৰ-পুথি	গোটেই প্ৰস্তুতি এখন পুথিৰ ৰূপত: বেটুপাত, নাট্যপাঠ বিশ্লেষণ, চৰিত্ৰ, পদ্ধতিৰ কার্যপত্ৰ, কণ্ঠ আৰু শৰীৰ, মঞ্চায়ন আৰু সংকেত, দিনলিপি, আৰু বিচাৰিলে সংকেতসহ নিজৰ সংলাপ। **ছপা বা PDF হিচাপে সংৰক্ষণ** বাছক; ফাইল হিচাপে ৰাখিবলৈ ছপাৰ ৱিণ্ডত "Save as PDF" বাছক।
পৰ্টফ'লিঅ'	আলোকচিত্ৰ, ভাষা, প্ৰশিক্ষণ, দক্ষতা আৰু অভিনীত চৰিত্ৰসহ অভিনয়শিল্পী হিচাপে আপোনাৰ পৰিচয়, এপৃষ্ঠাৰ জীৱন-বৃত্তান্ত হিচাপে ছপা কৰিব পৰা। চিৰাজত প্ৰস্তুত কৰা চৰিত্ৰবোৰ নিজে নিজে তালিকাত আহে; আগৰ চৰিত্ৰবোৰ নিজে যোগ কৰক।
অডিচনৰ অংশ	দুটা বা তিনিটা বেলেগ বেলেগ ধৰণৰ অংশ সাজু কৰি ৰাখক, প্ৰতিটো দুমিনিটতকৈ কম। **চৰিত্ৰ হিচাপে প্ৰস্তুত কৰক**-এ সেই অংশৰ বাবে এটা নতুন চৰিত্ৰ সাজে; তাৰ নাট্যপাঠ নাট্যপাঠ পৃষ্ঠাৰ পৰা আনক।

ⓘ পৰ্টফ'লিঅ' সকলো চৰিত্ৰৰ বাবে এই ব্ৰাউজাৰতে থাকে, কোনো প্ৰকল্প-ফাইলৰ ভিতৰত নাথাকে। প্ৰতিলিপি ৰাখিবলৈ জীৱন-বৃত্তান্তখন ছপা কৰক বা PDF হিচাপে সংৰক্ষণ কৰক।

১৭ পৰিভাষা

পৰিভাষা পৃষ্ঠাত অভিনয়ৰ ৩৯টা শব্দ আছে: ইংৰাজী শব্দ, চিৰাজে ব্যৱহাৰ কৰা অসমীয়া পৰিভাষা, আৰু তাৰ অৰ্থ। ওপৰৰ বিচৰা-বাকচত শব্দ লিখি বিচাৰিব পাৰি। কোনো শব্দৰ বাবে অধিক উপযুক্ত অসমীয়া শব্দ জানিলে **উন্নত শব্দ পৰামৰ্শ দিয়ক** বাছক।




চিত্ৰ ২০. অভিনয়ৰ পৰিভাষা।

১৮ সংৰক্ষণ, বেকআপ আৰু আদান-প্ৰদান

কাম কৰি থাকোঁতেই সংৰক্ষণ	লিখি থাকোঁতেই সকলো এই ডিভাইচৰ ব্ৰাউজাৰত সংৰক্ষিত হয়। শেষৰ পাঁচটা স্বয়ংক্ৰিয় বেকআপো ৰখা হয়; সেইবোৰ চাবলৈ আৰু কোনো এটা পুনৰুদ্ধাৰ কৰিবলৈ **শেষ ফাইল-প্ৰতিলিপি** সূচকটোত টিপক, নাইবা **চিৰাজৰ পৰিচয়** খোলক।
ফাইলত প্ৰতিলিপি ৰাখক	**মেনু › প্ৰকল্প-ফাইল সংৰক্ষণ** বাছি চৰিত্ৰটো .siraj ফাইল হিচাপে সংৰক্ষণ কৰক। ই নিয়মিতভাৱে কৰক, আৰু দুটা ঠাইত প্ৰতিলিপি ৰাখক; যেনে কম্পিউটাৰত আৰু পেন ড্ৰাইভ বা Google Drive-ত। **শেষ ফাইল-প্ৰতিলিপি** সূচকে আপোনাক মনত পেলাই দিয়ে।
ফাইল খোলা	**প্ৰকল্প-ফাইল খোলক**-এ .siraj ফাইল এই ডিভাইচত বা আন ডিভাইচত ঘূৰাই আনে।

মোৰ চৰিত্রসমূহ	প্রতিটো চৰিত্র সুকীয়াকৈ ৰখা হয়। ইয়াৰ পৰা চৰিত্র খোলক, এটাৰ পৰা আনটোলৈ যাওক, বা মচক।
AANK-ৰ আন এপ	**AANK-ৰ আন এপলৈ পঠিয়াওক**-এ আপোনাৰ কাম সুধাকণ্ঠ, শ্রীনিবাৰণ, আৰোহণ আৰু আন ষ্টুডিঅ'লৈ পঠিয়ায়। aank.org-ত আনটো এপে লগে লগে পায়; আন ঠাইত .aank ফাইল হিচাপে সংৰক্ষণ কৰক আৰু আনটো এপত **আন এপৰ পৰা কাম খোলক**-ৰে খোলক।
মতামত	**মেনু › মতামত পঠিয়াওক**-এ mrinal.goswami2026@gmail.com-লৈ এখন ইমেইল লিখি দিয়ে। আপোনাৰ নাট্যপাঠ, টোকা বা ৰেকৰ্ডিং কেতিয়াও সংলগ্ন কৰা নহয়।




চিত্র ২১. কাম AANK-ৰ আন এটা এপলৈ পঠিওৱা।

> ব্রাউজাৰৰ তথ্য মচিলে, নাইবা ব্যক্তিগত (private) ৰিণ্ড' ব্যৱহাৰ কৰিলে ব্রাউজাৰত থকা কাম আঁতৰি যায়। .siraj ফাইলটোৱেই সুৰক্ষিত প্রতিলিপি।

১৯ ফ'নত চিৰাজ

ফ'নত চিৰাজ সংলাপ মুখস্থ কৰিবলৈ, টোকা পঢ়িবলৈ আৰু পৰৱর্তী মঞ্চায়নৰ তথ্য চাবলৈ আটাইতকৈ উপযোগী। Android-ত আৰম্ভণি পৃষ্ঠাৰ পৰা, আৰু iPhone বা iPad-ত Safari-ৰ **Add to Home Screen**-ৰে ইয়াক ইনষ্টল কৰক। মেনুৰ বুটামটো টিপিলে পৃষ্ঠাৰ তালিকা ওলায়। নাট্যপাঠ আমদানি, সম্পূর্ণ বিশ্লেষণ আৰু ছপাৰ বাবে লেপটপ ব্যৱহাৰ কৰক।



চিত্ৰ ২২. ফ'নত সংকেত অনুশীলন।

২০ প্ৰশ্ন আৰু উত্তৰ

আমদানিৰ পাছত অসমীয়া পাঠ ভাঙি-চিগি গৈছে।

নাট্যপাঠটো সম্ভৱতঃ PDF-ৰ পৰা লোৱা হৈছিল, নাইবা ইউনিক'ড নোহোৱা পুৰণি ফণ্টত টাইপ কৰা হৈছিল। Word-ৰ .docx ফাইলৰ পৰা আনক, নাইবা ইউনিক'ড পাঠ কপি কৰি পেষ্ট কৰক।

মাইক্ৰ'ফোনে কাম কৰা নাই।

ব্ৰাউজাৰৰ ঠিকনা-পট্টীত মাইক্ৰ'ফোনৰ অনুমতি দিয়ক। চিৰাজ aank.org-ৰ পৰা খোলক, নাইবা Chrome বা Edge-ত অফলাইন ফাইল হিচাপে খোলক।

মোৰ কাম নোহোৱা হৈছে।

একেটা ব্ৰাউজাৰ ব্যৱহাৰ কৰিছে নে নাই, আৰু ব্যক্তিগত ৱিণ্ড' নহয় নে, চাওক। ব্ৰাউজাৰৰ তথ্য মচা হৈছিল যদি শেষৰ .siraj ফাইলটো খোলক।

মই PIN পাহৰিছোঁ।

তলা লগোৱা পৃষ্ঠাত **PIN পাহৰিলে?** বাছক। সেই চৰিত্ৰৰ দিনলিপি আৰু যত্নৰ টোকা মচি তলা আঁতৰোৱা হয়।

ছপা কৰা চৰিত্ৰ-পুথিত ৰং নাই।

Chrome বা Edge-ৰ পৰা ছপা কৰক, আৰু ছপাৰ ৱিণ্ডো’ত “Background graphics” অন কৰক।

“নতুন সংস্কৰণ সাজু” বুলি বার্তা আহিছে।

এতিয়াই আপডেট কৰক বাছক। আপোনাৰ কাম যিদৰে আছে, সেইদৰেই থাকিব।

অসমৰ AANK_A Creative Line-ৰ হৈ ড° মৃণাল জ্যোতি গোস্বামীৰ সৃষ্টি.